# 3 (Sem–5/CBCS) ECO RE 1/2/3

## 2022

## ECONOMICS

## ( Regular Elective )

Paper : ECO–RE–5016/5026/5036

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer any one Option*

### OPTION—A

Paper : ECO–RE–5016

### ( Economic Development and Policy in India—I )

**1.** Answer any *ten* of the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো **দহটাৰ** উত্তৰ দিয়া :

*(a)* Define poverty line.

দৰিদ্ৰতাৰ সীমাৰেখাৰ সংজ্ঞা দিয়া।

*(b)* State any one source of capital formation.

মূলধন গঠনৰ যি কোনো এটা উৎস উল্লেখ কৰা।

(c) What is meant by urbanisation?

নগৰীকৰণে কি বুজায় ?

(d) Define unorganised sector.

অসংগঠিত খণ্ডৰ সংজ্ঞা দিয়া।

(e) What is the value of marginal productivity of a worker in disguised unemployment?

ছদ্মবেশী নিবনুৱাৰ ক্ষেত্ৰত এজন শ্ৰমিকৰ প্ৰান্তিক উৎপাদিকাৰ মান কিমান হ'ব ?

(f) Name the first poverty alleviation program introduced in plan period in India.

ভাৰতত পৰিকল্পনাৰ সময়ত প্ৰৱৰ্তন কৰা প্ৰথম দৰিদ্ৰতা নিৰ্মূল কৰা আঁচনিখন উল্লেখ কৰা।

(g) Which country rank first as per HDI, 2022?

মানৱ উন্নয়ন সূচকাংক, ২০২২ মতে কোনখন দেশে প্ৰথম স্থান পাইছে ?

(h) Define Fiscal policy.

ৰাজকোষীয় নীতিৰ সংজ্ঞা দিয়া।

(i) When was the Stockholm Conference held?

ষ্টকহম সন্মিলন কেতিয়া হৈছিল ?





(j) Mention one factor of human capital.

মানৱ মূলধনৰ এটা উপাদান উল্লেখ কৰা।

(k) Who is the Chairman of 15th Finance Commission in India?

ভাৰতৰ ১৫তম বিত্ত আয়োগৰ অধ্যক্ষ কোন ?

(l) Mention one cause of inequality.

অসমতাৰ এটা কাৰণ উল্লেখ কৰা।

(m) Who said, "A country is poor, because it is poor"?

কোনে কৈছিল, "এখন দেশ দুখীয়া, কাৰণ ই দুখীয়া" ?

(n) What is meant by 'investment'?

'বিনিয়োগ' বুলিলে কি বুজা ?

(o) Mention one drawback of urbanisation.

নগৰীকৰণৰ এটা অসুবিধা উল্লেখ কৰা।

(p) Mention one objective of monetary policy.

মুদ্ৰানীতিৰ এটা উদ্দেশ্য উল্লেখ কৰা।

(q) Who wrote the book, *Poverty and un-British Rule in India*?

*Poverty and un-British Rule in India* গ্ৰন্থখন কোনে লিখিছিল ?

(r) What is meant by economic reform?

অৰ্থনৈতিক সংস্কাৰ কাক বোলে ?

2. Answer any *five* of the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ লিখা :

(a) Mention two types of sustainability.

দুই প্ৰকাৰৰ বহনক্ষমতা উল্লেখ কৰা।

(b) What is meant by Human Development Index?

মানৱ উন্নয়ন সূচক কি?

(c) Distinguish between growth and development.

বিকাশ আৰু উন্নয়নৰ মাজত পাৰ্থক্য লিখা।

(d) How can we differentiate between developing and developed country?

আমি উন্নয়নশীল আৰু উন্নত দেশৰ মাজত কেনেকৈ পাৰ্থক্য নিৰূপণ কৰিব পাৰোঁ?

(e) Mention two types of employment.

দুই প্ৰকাৰৰ নিয়োগ উল্লেখ কৰা।

(f) What is frictional unemployment?

ঘৰ্ষিত নিবনুৱা কি?

(g) What is the full form of MGNREGA? When was it introduced?

MGNREGA ৰ সম্পূৰ্ণ ৰূপ কি? ইয়াক কেতিয়া প্ৰৱৰ্তন কৰা হৈছিল?





(h) Distinguish between absolute poverty and relative poverty.

চৰম দৰিদ্ৰতা আৰু আপেক্ষিক দৰিদ্ৰতাৰ মাজত পাৰ্থক্য লিখা।

(i) Distinguish between autonomous investment and induced investment.

স্বয়ংক্ৰিয় বিনিয়োগ আৰু অভিপ্ৰেত বিনিয়োগৰ মাজত পাৰ্থক্য লিখা।

(j) Mention any two merits of liberalisation.

উদাৰীকৰণৰ যি কোনো দুটা সুবিধা লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain the various causes of educated unemployment in India.

ভাৰতত দেখা দিয়া শিক্ষিত নিবনুৱাৰ বিভিন্ন কাৰণসমূহ ব্যাখ্যা কৰা।

(b) What are the various sources of growth?

বিকাশৰ বিভিন্ন উৎসসমূহ কি কি?

(c) What is human capital? How does human capital differ from physical capital? 2+3=5

মানৱ মূলধন কাক কয়? মানৱ মূলধন কিদৰে ভৌতিক মূলধনৰ পৰা পৃথক?

(d) Explain the various determinants of demographic trends.

জনসাংখ্যিক ধাৰাৰ বিভিন্ন কাৰকবোৰ ব্যাখ্যা কৰা।

(e) Discuss the various indicators of human development.

মানৱ উন্নয়নৰ বিভিন্ন সূচকসমূহ আলোচনা কৰা।

(f) Write a note on the occupational structure in Indian economy.

ভাৰতীয় অৰ্থনীতিত বৃত্তিগত গাঁথনিৰ ওপৰত এটি টোকা লিখা।

(g) What is the rationale of introducing economic reform in India in 1991?

১৯৯১ চনত ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তন কৰাৰ যুক্তিযুক্ততা কি আছিল?

(h) Discuss the role of population in economic development.

অৰ্থনৈতিক উন্নয়নত জনসংখ্যাৰ ভূমিকা আলোচনা কৰা।

(i) Write the differences between internal and external financing of resources.

সম্পদৰ আভ্যন্তৰীণ আৰু বাহ্যিক বিত্তীয় নিষ্পাদনৰ পাৰ্থক্যসমূহ লিখা।





4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Discuss the linkages between development and sustainability.

উন্নয়ন আৰু বহনক্ষমতাৰ মাজত থকা সংযোগ সম্পৰ্কে আলোচনা কৰা।

(b) Discuss the various measures taken by Government to reduce unemployment in India.

ভাৰতবৰ্ষত নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহ আলোচনা কৰা।

(c) Explain the causes of slow economic growth of a developing country like India. Write some measures to foster the growth rate of these countries. 6+4=10

ভাৰতৰ দৰে উন্নয়নশীল দেশৰ ধীৰ অৰ্থনৈতিক বিকাশৰ কাৰণসমূহ ব্যাখ্যা কৰা। এই দেশসমূহৰ বিকাশৰ হাৰ বৃদ্ধি কৰিবৰ বাবে কেইটামান উপায় লিখা।

(d) Is India overpopulated? Give reasons for your answer.

ভাৰতবৰ্ষ জনবহুল দেশ হয়নে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

(e) Discuss the role of the finance Commission in India.

ভাৰতত বিত্তীয় আয়োগৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(f) Explain the role of fiscal policy in economic stabilisation.

অৰ্থনৈতিক সুস্থিৰতাত ৰাজকোষীয় নীতিৰ ভূমিকা ব্যাখ্যা কৰা।

(g) Discuss the various features of a developing economy.

উন্নয়নশীল অৰ্থনীতি এখনৰ বিভিন্ন বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(h) Discuss the demographic trend of India during post-independent period.

স্বাধীনোত্তৰ কালত ভাৰতৰ জনসাংখ্যিক গতিধাৰা আলোচনা কৰা।

(i) What is meant by capital formation? Why is capital formation important in a developing economy? 2+8=10

মূলধন গঠন কাক কয়? এখন উন্নয়নশীল অৰ্থনীতিত মূলধন গঠন কিয় প্ৰয়োজন?

(j) What is vicious circle of poverty? How can it be combated? 3+7=10

দৰিদ্ৰতাৰ পাকচক্ৰ কি? ইয়াক কেনেদৰে দূৰ কৰিব পাৰি?





## OPTION—B

## Paper : ECO–RE–5026

## ( Money and Banking )

**1.** Answer any *ten* of the following as directed : 1×10=10

তলত দিয়াবোৰৰ যি কোনো **দহটাৰ** নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

(a) "Money is what money does." Who said this?

"মুদ্ৰাই যি কৰে সেয়াই মুদ্ৰা।" কথাষাৰ কোনে কৈছিল?

(b) What is token money?

প্ৰতীক মুদ্ৰা কি?

(c) What does $V$ signify in Fisher's equation?

ফিছাৰৰ সমীকৰণত থকা $V$ য়ে কি সূচায়?

(d) Fill up the gap :

খালী ঠাই পূৰণ কৰা :

$$M_1 = C + DD + _____.$$

(e) What is meant by money market?

মুদ্ৰাৰ বজাৰ মানে কি বুজায়?

(f) What is the full form of NBFIs?

NBFIs ৰ সম্পূৰ্ণ ৰূপ কি?

(g) Define adverse selection.

প্ৰতিকূল নিৰ্বাচনৰ সংজ্ঞা দিয়া।

*(h)* Mention any one instrument of capital market.

মূলধনী বজাৰৰ যি কোনো এটা আহিলাৰ নাম লিখা।

*(i)* Stock exchange is a market where shares and bonds are bought and sold.

( Write true or false )

ষ্টক বিনিময় কেন্দ্ৰ হ'ল এনে এখন বজাৰ য'ত অংশপত্ৰ আৰু বণ্ড ক্ৰয়-বিক্ৰয় কৰা হয়।

( সত্য নে অসত্য লিখা )

*(j)* When was the National Stock Exchange of India established?

ভাৰতত ৰাষ্ট্ৰীয় ষ্টক বিনিময়কেন্দ্ৰ কেতিয়া স্থাপন কৰা হৈছিল ?

*(k)* Name one economist who had forwarded the classical theory of interest.

সুদৰ সংস্থাপিত তত্ত্ব আগবঢ়োৱা এজন অৰ্থনীতিবিদৰ নাম লিখা।

*(l)* What is liquidity preference?

তাৰল্য প্ৰীতি কি ?

*(m)* What is liquidity trap?

তাৰল্য ফাণ্ড কি ?

*(n)* Define prime lending rate.

প্ৰধান ঋণ হাৰৰ সংজ্ঞা দিয়া।





*(o)* What is meant by portfolio management of commercial bank?

বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনা মানে কি বুজায় ?

*(p)* Which is the first nationalised bank in India?

ভাৰতৰ প্ৰথম ৰাষ্ট্ৰীয়কৃত বেংক কোনটো ?

*(q)* Mention one limitation of monetary policy.

মৌদ্ৰিক নীতিৰ এটা সীমাবদ্ধতা উল্লেখ কৰা।

*(r)* What is the name of central bank of India?

ভাৰতৰ কেন্দ্ৰীয় বেংকটোৰ নাম কি ?

**2.** Answer any *five* questions of the following : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো পাঁচটাৰ উত্তৰ দিয়া :

*(a)* Mention two functions of money.

মুদ্ৰাৰ দুটা কাৰ্য উল্লেখ কৰা।

*(b)* Write two sources of change in money supply in India.

ভাৰতত মুদ্ৰাৰ যোগান পৰিৱৰ্তনৰ দুটা উৎসৰ নাম লিখা।

*(c)* Write two differences of money market and capital market.

মুদ্ৰা বজাৰ আৰু মূলধনী বজাৰৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(d)* Mention two importances of money market.

মুদ্ৰা বজাৰৰ দুটা গুৰুত্ব উল্লেখ কৰা।

*(e)* Write name of two indices that shows index of stock market of India.

ভাৰতৰ ষ্টক বজাৰৰ সূচকাংক প্ৰকাশ কৰা দুটা নিৰ্দেশকৰ নাম লিখা।

*(f)* Mention two causes of difference of rate of interest.

সুদৰ হাৰৰ পাৰ্থক্য হোৱাৰ দুটা কাৰণ উল্লেখ কৰা।

*(g)* Write two limitations of loanable fund theory of interest.

সুদৰ ঋণযোগ্য পুঁজিতত্ত্বৰ দুটা সীমাবদ্ধতা লিখা।

*(h)* Mention two names of institution that relates to financial system.

বিত্তীয় বজাৰৰ লগত জড়িত দুটা অনুষ্ঠানৰ নাম উল্লেখ কৰা।

*(i)* Write two main functions of central bank.

কেন্দ্ৰীয় বেংকৰ দুটা মুখ্য কাৰ্য লিখা।

*(j)* Mention two objectives of India's current monetary policy.

ভাৰতৰ শেহতীয়া মৌদ্ৰিক নীতিৰ দুটা উদ্দেশ্য উল্লেখ কৰা।





**3.** Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Write a short note on different concept of money supply in India.

ভাৰতত মুদ্ৰাৰ যোগান সম্বন্ধে থকা বিভিন্ন ধাৰণাৰ ওপৰত এটি চমু টোকা লিখা।

*(b)* Mention any five determinants that affect money supply.

মুদ্ৰাৰ যোগান প্ৰভাৱিত কৰা যি কোনো পাঁচটা নিৰ্ধাৰকৰ নাম উল্লেখ কৰা।

*(c)* What are the main functions of financial market?

বিত্তীয় বজাৰৰ মুখ্য কাৰ্যবোৰ কি কি?

*(d)* Discuss briefly the differences of monetary and non-monetary assets.

মৌদ্ৰিক আৰু অ-মৌদ্ৰিক পৰিসম্পদসমূহৰ মাজত থকা পাৰ্থক্যবোৰ চমুকৈ আলোচনা কৰা।

*(e)* Write a note on the advantages and dis-advantages of asymmetric information.

অসমমাত্ৰিক সূচনাৰ সুবিধা আৰু অসুবিধা সম্বন্ধে এটি টোকা লিখা।

*(f)* What are the main objectives of credit control of central bank of a country?

এখন দেশৰ কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণৰ মূল লক্ষ্যবোৰ কি কি?

*(g)* Mention the limitations of open market operation.

খোলা বজাৰ প্ৰক্ৰিয়াৰ সীমাবদ্ধতাবোৰ উল্লেখ কৰা।

*(h)* What are the roles of monetary policy in a developing economy? Discuss.

উন্নয়নশীল অৰ্থনীতিত মৌদ্ৰিক নীতিৰ ভূমিকাসমূহ কি? আলোচনা কৰা।

**4.** Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* What is financial system? What are the roles of financial system in economic development of a country? Explain in detail. 3+7=10

বিত্তীয় ব্যৱস্থা কি? এখন দেশৰ অৰ্থনৈতিক উন্নয়নত বিত্তীয় ব্যৱস্থাই কেনে ভূমিকা পালন কৰে, বিস্তৃতভাৱে বৰ্ণনা কৰা।

*(b)* Explain the cash balance approach to quantity theory of money. What are the limitations of this approach? 7+3=10

মুদ্ৰাৰ পৰিমাণতত্ত্বৰ নগদ জমা বা ৰাহি ধাৰণাটো ব্যাখ্যা কৰা। এই ধাৰণাৰ সীমাবদ্ধতাবোৰ কি কি?





*(c)* Discuss in detail the liquidity preference theory of rate of interest.

সুদৰ তাৰল্যপ্ৰীতি তত্ত্বটো বহলাই আলোচনা কৰা।

*(d)* What is meant by term-structure of interest rate? Explain the expectation theory of term-structure of interest rate. 2+8=10

সময়-গাঁথনি সুদৰ হাৰ মানে কি? সময়-গাঁথনি সুদৰ হাৰ ধাৰণাৰ প্ৰত্যাশিত তত্ত্বটো ব্যাখ্যা কৰা।

*(e)* Explain the credit creation method of commercial bank. Mention three determinants that limit the powers of credit creation of commercial bank. 7+3=10

বাণিজ্যিক বেংকৰ ঋণসৃষ্টিৰ পদ্ধতি ব্যাখ্যা কৰা। বাণিজ্যিক বেংকৰ ঋণসৃষ্টিৰ ক্ষমতাক সীমিত কৰা তিনিটা কাৰক উল্লেখ কৰা।

*(f)* Write a note on different components of structure of banking system in India.

ভাৰতৰ বেংক ব্যৱস্থাৰ গাঁথনিৰ বিভিন্ন উপাদানবোৰৰ সম্বন্ধে এটি টোকা লিখা।

*(g)* Explain in detail the reforms initiative of financial market in liberalisation period.

উদাৰীকৰণৰ কালছোৱাত ভাৰতৰ বিত্তীয় বজাৰত অনা সংস্কাৰবোৰ সম্বন্ধে বহলাই বৰ্ণনা কৰা।

*(h)* What are the main functions of central bank of a country? Why is central bank called lender of last resort? 7+3=10

এখন দেশৰ কেন্দ্ৰীয় বেংকৰ মূল কাৰ্যবোৰ কি কি? কেন্দ্ৰীয় বেংকক ঋণদানৰ শেষ আশ্ৰয়স্থল বুলি কিয় কোৱা হয়?

*(i)* Write a note on portfolio management of a commercial bank. How does banking reforms of India help in portfolio management process of a commercial bank? 6+4=10

বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনা সম্বন্ধে এটি টোকা লিখা। ভাৰতৰ বেংক সংস্কাৰ পদ্ধতিয়ে বাণিজ্যিক বেংকক পত্ৰাধাৰ পৰিচালনাত কিদৰে সহায় কৰিছে?

*(j)* What is bank rate? How does bank rate affect credit creation scenario of an economy? What are the limitations of this measure to control credit? 2+6+2=10

বেংকৰ হাৰ কি? বেংকৰ হাৰে এখন অৰ্থনীতিৰ ঋণ সৃষ্টিৰ অৱস্থাটোক কিদৰে প্ৰভাৱিত কৰে? ঋণ সৃষ্টি নিয়ন্ত্ৰণ কৰাত এই ব্যৱস্থাটোৰ সীমাবদ্ধতাবোৰ কি কি?





OPTION—C

Paper : ECO–RE–5036

**( Environmental Economics )**

**1.** Answer the following questions (any *ten*) : 1×10=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো দহটা) :

*(a)* What is ecology?

পৰিৱেশতন্ত্ৰ কি?

*(b)* What is market failure?

বজাৰৰ বিফলতা কি?

*(c)* Mention one character of public good.

ৰাজহুৱা দ্ৰব্যৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(d)* What is meant by environment?

পৰিৱেশ মানে কি বুজায়?

*(e)* Define sustainable development.

বহনক্ষম উন্নয়নৰ সংজ্ঞা দিয়া।

*(f)* State one feature of common property resource.

সাৰ্বজনীন সম্পদৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(g)* What is free rider problem?

মুক্ত আৰোহণৰ সমস্যা কি?

*(h)* Define marginal social cost.

প্ৰান্তিক সামাজিক ব্যয়ৰ সংজ্ঞা দিয়া।

*(i)* What is meant by command and control method?

আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতি মানে কি বুজায়?

*(j)* What is liability law?

দায়বদ্ধতা আইন কি?

*(k)* What is meant by green GDP?

সেউজ GDP মানে কি বুজায়?

*(l)* Give the concept of global warming.

গোলকীয় উষ্ণতাৰ ধাৰণাটো দিয়া।

*(m)* What is biodiversity?

জৈৱবৈচিত্ৰ্য কি?

*(n)* Name one greenhouse gas.

এবিধ সেউজগৃহ গেচৰ নাম লিখা।

*(o)* What is ozone layer depletion?

অ'যন স্তৰৰ অৱক্ষয় কি?





*(p)* State one global environmental problem.

গোলকীয় পৰিৱেশৰ এটা সমস্যা উল্লেখ কৰা।

*(q)* What is optimal level of pollution?

কাম্য প্ৰদূষণ স্তৰ কি?

*(r)* Write one objective of environmental economics.

পৰিৱেশ অৰ্থনীতিৰ এটা উদ্দেশ্য লিখা।

**2.** Answer the following questions in short (any *five*) : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* Give two examples of negative externalities.

ঋণাত্মক বাহ্যিকতাৰ দুটা উদাহৰণ দিয়া।

*(b)* Mention two causes of climate change.

জলবায়ু পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা।

*(c)* Define the point of Pareto optimality in case of public goods.

ৰাজহুৱা দ্ৰব্যৰ ক্ষেত্ৰত পেৰাট'ৰ কাম্য বিন্দুটোৰ সংজ্ঞা দিয়া।

(d) What is Pigouvian tax?
পিগুৰ কৰ ব্যৱস্থা কি ?

(e) State any two components of sustainable development.
বহনক্ষম উন্নয়নৰ যি কোনো দুটা উপাদান উল্লেখ কৰা।

(f) Distinguish between strong and weak sustainability.
শক্তিশালী আৰু দুৰ্বল বহনক্ষমতাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(g) Give two reasons of decline in biodiversity.
জৈৱবৈচিত্ৰ্যৰ অৱনতিৰ দুটা কাৰণ দিয়া।

(h) State two problems created by solid wastes.
গোটা আৱৰ্জনাই সৃষ্টি কৰা দুটা সমস্যা উল্লেখ কৰা।

(i) Give two reasons of ozone layer depletion.
অ'যন স্তৰৰ অৱক্ষয়ৰ দুটা কাৰণ দিয়া।

(j) Why is biodiversity important?
জৈৱবৈচিত্ৰ্য কিয় গুৰুত্বপূৰ্ণ ?





**3.** Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Explain the biotic elements of environment.
পৰিৱেশৰ জৈৱিক উপাদানসমূহ ব্যাখ্যা কৰা।

(b) Point out the positive and negative effects of development on environment.
উন্নয়নে পৰিৱেশৰ ওপৰত পেলোৱা ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱসমূহ আঙুলিয়াই দিয়া।

(c) Explain the characteristics of common property rights.
সাৰ্বজনীন সম্পত্তিৰ অধিকাৰৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(d) Discuss the process of internalising externalities through government intervention.
চৰকাৰৰ হস্তক্ষেপৰ দ্বাৰা বাহ্যিকতাৰ অন্তৰ্গতকৰণ প্ৰক্ৰিয়া আলোচনা কৰা।

(e) Write a note on market-based methods of pollution control.
প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে বজাৰ-ভিত্তিক পদ্ধতিবোৰৰ ওপৰত এটা টোকা লিখা।

*(f)* What is transboundary environmental problem? Explain its various causes. 1+4=5

আন্তঃসীমান্ত পৰিৱেশৰ সমস্যা কি? ইয়াৰ বিভিন্ন কাৰণসমূহ ব্যাখ্যা কৰা।

*(g)* Explain the various effects of climate change.

জলবায়ু পৰিৱৰ্তনৰ বিভিন্ন প্ৰভাৱসমূহ ব্যাখ্যা কৰা।

*(h)* Briefly explain the major environmental protection activities undertaken in India.

পৰিৱেশ সুৰক্ষাৰ বাবে ভাৰতে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ কাৰ্যাৱলী সংক্ষিপ্তভাৱে আলোচনা কৰা।

**4.** Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

*(a)* Discuss diagrammatically Pareto optimality of public goods.

ৰাজহুৱা দ্ৰব্যৰ পেৰাট'ৰ কাম্যতা চিত্ৰৰ সহায়ত আলোচনা কৰা।

*(b)* Explain the environmental impact of industrial activities with example. 8+2=10

উদ্যোগ-বিষয়ক উৎপাদন কাৰ্যাৱলীৰ পৰিৱেশীয় পৰিণাম সম্পৰ্কে উদাহৰণসহ ব্যাখ্যা কৰা।





*(c)* What is pollution permit system? Discuss different steps involved in pollution permit system. 2+8=10

প্ৰদূষণ অনুমতি ব্যৱস্থা কি? প্ৰদূষণ অনুমতি ব্যৱস্থাৰ লগত জড়িত বিভিন্ন পদক্ষেপসমূহ আলোচনা কৰা।

*(d)* Discuss cost-benefit analysis of environmental policies and regulations.

পৰিৱেশ নীতি আৰু নিয়মৰ ব্যয় আৰু লাভালাভৰ বিশ্লেষণ আলোচনা কৰা।

*(e)* What is environment impact assessment? Discuss the process of environment impact assessment. 2+8=10

পৰিৱেশ প্ৰভাৱ মূল্যায়ন কি? পৰিৱেশ প্ৰভাৱ মূল্যায়নৰ পদ্ধতিটো আলোচনা কৰা।

*(f)* Write a note on indicators of sustainable development.

বহনক্ষম উন্নয়নৰ সূচকসমূহৰ ওপৰত এটা টোকা লিখা।

*(g)* Discuss sustainable development from Indian perspective.

ভাৰতৰ প্ৰেক্ষাপটত বহনক্ষম উন্নয়ন আলোচনা কৰা।

(h) What are non-market goods and services? Explain the various processes of valuation of non-market goods and services. 2+8=10

অবজাৰ সামগ্ৰী আৰু সেৱাসমূহ কি? অবজাৰ সামগ্ৰী আৰু সেৱাসমূহ মূল্যাংকন কৰা বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰা।

(i) "The equilibrium between demand for and supply of public goods fails to satisfy allocative efficiency." Discuss the statement.

"ৰাজহুৱা সামগ্ৰীৰ চাহিদা আৰু যোগানৰ ভাৰসাম্যতা আবন্টনৰ দক্ষতা আহৰণ কৰাত ব্যৰ্থ।" উক্তিটো আলোচনা কৰা।

(j) Discuss the nature and subject matter of environmental economics.

পৰিৱেশ অৰ্থনীতিৰ প্ৰকৃতি আৰু বিষয়বস্তু আলোচনা কৰা।

★★★